No. of Printed Pages—3

508 (SKM07/SKP05)

[20-HBGPOW–D5S(O)21A]

BA 5th Semester (Old) Exam., 2020 (W)

SANSKRIT

[BSK M/P–04]

(Drama)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ লিখক : 1×8=8

(a) সংস্কৃত নাটকত কেইপ্ৰকাৰৰ ৰস থাকে, লিখক।

(b) 'স্বপ্নৱাসৱদত্তম্' নাটকৰ নায়কজনৰ নাম কি, লিখক।

(c) 'মহাসেন কন্যা' বুলি ক'লে কাক বুজায়, লিখক।

(d) মহাকবি কালিদাসৰ নামটো কোনজন ৰজাৰ লগত যোগ কৰা হয়, লিখক।

(e) 'অভিজ্ঞান' শব্দৰ অৰ্থ লিখক।

(f) ৰজা দুষ্যন্তৰ জন্ম কোন বংশত হৈছিল, লিখক।

(g) শকুন্তলাক কোনে অভিশাপ দিছিল, লিখক।

(h) খালী ঠাই পূৰ কৰক :

'নান্দ্যন্তে ততঃ প্ৰৱিশতি _____।'

2. তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০* শব্দৰ ভিতৰত) : 2×8=16

(a) মহাকবি ভাসৰ আটাইকেইখন নাটকত ব্যৱহৃত দুটা ছন্দৰ নাম লিখক।

(b) মহাকবি ভাসে 'মহাভাৰত'ৰ আধাৰত ৰচনা কৰা নাটককেইখনৰ নাম লিখক।

(c) 'নান্দীশ্লোক' কাক বোলে, লিখক।

(d) আবন্তিকাক ঘূৰাই দিয়াৰ সময়ত সাক্ষী কোন কোন আছিল, লিখক।

(e) কালিদাসে ৰচনা কৰা নাটক তিনিখনৰ নাম লিখক।

(f) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ শিৰোনামৰ তাৎপর্য চমুকৈ লিখক।

(g) তলৰ বাক্যশাৰীৰ অর্থ লিখক :

''ভো ভোস্তপস্বিনঃ! সংনিহিতাস্তপোৱন-সত্ত্বৰক্ষায়ৈ ভৱন্তঃ, প্ৰত্যাসন্নঃ কিল মৃগয়া-বিহাৰী পার্থিৱো দুষ্যন্তঃ।''

(h) ''অভিজ্ঞানশকুন্তলম্'' নাটকৰ প্ৰথম অংকৰ পৰা প্ৰশ্ন কাকতত উল্লেখ নথকা যি কোনো এটা শ্লোক মুখস্থ লিখক।

3. তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *১০০* শব্দৰ ভিতৰত) : 4×5=20

(a) মহাকবি ভাসৰ ৰচনা-ৰীতিৰ বৈশিষ্ট্যসমূহ লিখক।

(b) 'স্বপ্নৱাসৱদত্তম্' নাটকত উদয়ন আৰু বিদূষকৰ অন্তৰঙ্গ আলাপৰ পৰা পোৱা বাসৱদত্তা আৰু পদ্মাৱতীৰ চৰিত্ৰৰ এটা তুলনামূলক আলোচনা লিখক।

(c) ৰজা দুষ্যন্তৰ মাতৃয়ে তেওঁক ৰাজধানীলৈ মাতি পঠোৱাৰ কাৰণ কি আছিল, লিখক। ৰজাই কিয় ৰাজধানীলৈ নিজে নগৈ বিদূষকক পঠাইছিল, চমুকৈ লিখক।

(d) শকুন্তলা পতিগৃহলৈ যোৱাৰ বাবে সজ্জিত হ'বলৈ আশ্রমৰ গছ-বিৰিখ-বোৰে কি কি আভৰণ দিছিল, বৰ্ণনা কৰি লিখক।

(e) ''প্রকৃত্যা সানুক্রোশং মে ভগিনী।'' এই বাক্যশাৰীৰ ভাৱার্থ লিখক।

(f) ''অথৱা ভৱিতব্যানাং দ্বাৰাণি ভৱন্তি সর্বত্র।'' এই বাক্যশাৰীত নিহিত অর্থ বহলাই লিখক।

4. তলত দিয়া প্রশ্নবোৰৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্রতিটো প্রায় *৩০০* শব্দৰ ভিতৰত) : 8×2=16

(a) 'স্বপ্নৱাসৱদত্তম্' নাটকত বর্ণনা কৰা মতে কেনেকৈ যৌগন্ধৰায়ণে উদয়ন আৰু বাসৱদত্তাৰ পুনর্মিলন ঘটাবলৈ সক্ষম হ'ল, লিখক।

(b) 'স্বপ্নৱাসৱদত্তম্' নাটকৰ বাসৱদত্তাৰ চৰিত্রৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰি লিখক।

(c) ৰজা দুষ্যন্তৰ কণ্বমুনিৰ আশ্রমত প্রৱেশৰ দৃশ্যটো নিজৰ ভাষাত লিখক।

5. তলৰ যি কোনো **দুটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় *৪০০* শব্দৰ ভিতৰত) : 10×2=20

(a) 'স্বপ্নৱাসৱদত্তম্' নাটকৰ পঞ্চম অংকৰ সাৰাংশ নিজৰ ভাষাত লিখক।

(b) মহাকবি কালিদাসৰ লেখনিৰ বৈশিষ্ট্যসমূহ বহলাই লিখক।

(c) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ চতুর্থ অংকটো কিয় শ্রেষ্ঠ বুলি কোৱা হয়, সেই কথা উপযুক্ত উদাহৰণৰ সৈতে আলোচনা কৰি লিখক।

★ ★ ★